

### মানাহ ৰাষ্ট্ৰীয় উদ্যান

# প্ৰকৃতিপ্ৰেমীক উগ্ৰপন্থী সজোৱাৰ অপচেষ্টা

প্ৰতিদিন সেৱা, বৰপেটা, ৩০ জুন : মানাহ ৰাষ্ট্ৰীয় উদ্যানত উগ্ৰপন্থীৰ কাৰ্যকলাপ চলি থকা বুলি অপপ্ৰচাৰ চলাই মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ এজন প্ৰাক্তন বনাঞ্চলিক বিষয়াই (ৰেঞ্জাৰ) প্ৰকৃতিপ্ৰেমী তথা সাধাৰণ ৰাইজকে উগ্ৰপন্থী সজোৱাৰ অপচেষ্টা চলোৱাৰ বাতৰি পোৱা গৈছে। প্ৰাপ্ত অভিযোগমতে যোৱা ২৭ জুনৰ আবেলি ৪ বজাত বাঁহবাৰী আঞ্চলিক বন বিষয়াৰ অনুমতি সাপেক্ষে বাঁহবাৰীৰে প্ৰকৃতিপ্ৰেমী স্বেচ্ছাসেৱী সংস্থা 'গ্ৰীণ মানাহ'ৰ পাঁচজন বিষয়ববীয়া তথা ডব্লিউ ডব্লিউ এফৰ সদস্যই ৰাষ্ট্ৰীয় উদ্যানৰ তথ্য আহৰণৰ উদ্দেশে মথনগুৰিৰ নামনিৰ পৰিদৰ্শন বঙলাত নিশাটো কটাবলৈ লয়। ইতিমধ্যে সন্ধিয়া পৰিদৰ্শন বঙলাত বাঁহবাৰী আঞ্চলিক বন সংমণ্ডলৰ প্ৰাক্তন বনাঞ্চলিক বিষয়াজনে আপাৰ বঙলাত থাকিবলৈ আহে। নিশা প্ৰায় ১১-৩০ বজাত বৰ্তমানৰ ৰেঞ্জাৰ গংগাধৰ বসুমতাৰীয়ে প্ৰকৃতিপ্ৰেমী সদস্যসকলক টোপনিৰ পৰা জগাই তুলি প্ৰাক্তন ৰেঞ্জাৰজনে তেওঁলোকে উগ্ৰপন্থী কাৰ্যকলাপ চলোৱা বুলি আৰক্ষীক অভিযোগ দিয়া বুলি অৱগত কৰে। ৰেঞ্জাৰজনে সদস্যসকলক বাঁহবাৰী আৰক্ষী চকীলৈ লৈ যায় আৰু ভাৰপ্ৰাপ্ত বিষয়াজনে সোধা-পোছা কৰি সদস্যকেইজনক যাবলৈ দিয়ে। ইপিনে প্ৰাক্তন ৰেঞ্জাৰজনৰ খবৰৰ ভিত্তিত আৰক্ষী অধীক্ষকগৰাকীয়ে বহুসংখ্যক গাড়ী লৈ নিশা বাঁহবাৰীত উপস্থিত হয়। প্ৰাক্তন ৰেঞ্জাৰজনে উদ্যানখনৰ ভিতৰত নিশা উপস্থিত হৈ প্ৰকৃতিপ্ৰেমী সংগঠনৰ সদস্যসকলক উগ্ৰপন্থী সজাবলৈ চেষ্টা কৰা ঘটনাক 'গ্ৰীণ মানাহ' এভাৰগ্ৰীণ আদি প্ৰকৃতিপ্ৰেমী সংগঠনসমূহে তীব্ৰ ভাষাৰে গৰিহণা দিছে। জানিব পৰামতে যোৱা ২৫ জুনৰ পৰা এন ডি এফ বিৰ বন সুৰক্ষা গোটে দুমাহ যুদ্ধবিৰতি ঘোষণা কৰিছে যদিও মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ উক্ত বিষয়া দুজনে উগ্ৰপন্থীৰ কাৰ্যকলাপ অব্যাহত ৰখা বুলি অপপ্ৰচাৰ চলাই আছে। স্মৰ্তব্য, এই দুয়ো বিষয়াই ৰাষ্ট্ৰীয় উদ্যানখনৰ নামত আন্তৰ্জাতিক সংস্থাসমূহৰ পৰা আবণ্টিত ধন আত্মসাৎ কৰাৰো অভিযোগ আছে। 'গ্ৰীণ মানাহ'ৰ সদস্যসকলে প্ৰাক্তন বনাঞ্চলিক বিষয়াজনৰ দুষ্কাৰ্যৰ বিৰুদ্ধে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।



■ উত্তৰ শালমাৰা মহকুমা প্ৰশাসনে পালন কৰা বিশ্ব পৰিৱেশ দিৱস উপলক্ষে মহকুমা ন্যায়িক দণ্ডাধীশ ইৰফানে বৃক্ষৰোপণ কৰা দেখা গৈছে। ফটো : প্ৰতিদিন সেৱা, অভয়াপুৰী

### চাংসাৰি

## নাট্য প্ৰশিক্ষণ কৰ্মশালা উদ্বোধন

প্ৰতিদিন সেৱা
চাংসাৰি, ৩০ জুন : যোৱা সোতৰ জুনত

### দ্বিতীয় স্থান লাভ কৰা টেঙাবাৰীৰ কিশোৰৰ

## কম্পিউটাৰ ইঞ্জিনীয়াৰ হোৱাৰ মন

■ ৰাজেন বৈশ্য

## ৰাজপথৰ পৰা দোকান উচ্ছেদ

প্ৰতিদিন সেৱা